# মানুহ যোৱাৰ বাটেৰে মানুহবোৰ নোযোৱা হ'ল

**ৰৌচন আলি**

মানুহবোৰে মানুহ হোৱাৰ আখৰা কৰোঁতে
শিলৰ ফলিত মাটিৰ পেঞ্চিলেৰে
আঁকিছিল মানুহ যোৱাৰ দীঘলীয়া বাট।

বহঁত ফুল শিলৰ ফলিত
ঘঁহোঁতে-মচোঁতে
মচোঁতে-আঁকোঁতে
হালধীয়া ফুলৰ দৰেই ফুলিছিল শইচৰ ফুল।

খাঁটি-ভেজালৰ সংজ্ঞা নাছিল তেতিয়া,
শইচবোৰ পেৰোঁতে নিগৰি আহিছিল
পানীত মিহলি নোহোৱা জুলীয়া দ্ৰব্য।

মানুহ যোৱা বাটেদিয়েই
মানুহবোৰে খোজ কাঢ়িবলৈ শিকিছিল।

বাটটো দীঘলকৈ আঁকিছিল
বাটটো দীঘল হৈছিল

লগৰীয়াৰ সৈতে টনা-আঁজোৰা কৰি
ঠুনুকা শিলৰ ফলিখন ভাঙোতে
এল পি স্কুলৰ বাৰাণ্ডাত
ফেকুৰি ফেকুৰি কন্দা মলুৱা-ভলুৱাই
কোনোদিনেই ভবা নাছিল
সেইখন ফলিত অঁকা বাটটো
ফলিৰ সৈতে ভাঙোতে
সিহঁতৰ দৰেই আমিও এদিন
ফেকুৰি ফেকুৰি কান্দিবলগীয়া হ'ব বুলি।

ভগা শিলৰ ফলি নালাগিছিল জোৰা
ভগা বাটো এতিয়া নালাগে জোৰা।

গো-বাট মানেই গৰু অহা-যোৱাৰ বাট
গৰুৰ পিছে পিছে
কিমান যে মানুহ আহিছিল সেই বাটে।

সেই বাটে আহোঁতে আহোঁতে
মানুহে মানুহ যোৱাৰ বাট
এৰি থৈ আহিল ক'ৰবাত।

এতিয়া মানুহ যোৱাৰ বাটেদি
মানুহবোৰ নোযোৱা হ'ল।

মানুহ যায় অবাটে
অথবা
গো-বাটে...

নৰকংকাল হোৱাৰ আগতেই
উভতি যাওঁ ব'লা
মানুহ যোৱাৰ বাটেদি বাট বুলিবলৈ।

# এই বাটেদি নাহিবি

**জুৰি মহন্ত**

এই বাটেদি নাহিবি
হাবিতলীয়া বাট,
তইতো নাজান ক'ত লুকাই থাকে
ৰাংকুকুৰৰ জাক।
গা ঘেলাই নুফুৰিবি জনঅৰণ্যত,
তই নেদেখা চিকাৰী চকু
পিয়াপি দি ফুৰে তাত।

সেই বাটেদিও নাযাবি মোৰ সোণ
নিৰ্জনতাই ঘেৰি আছে
নৈৰ পাৰৰ ঘাট!
খুপি খুপি খোজ দিবি,
শেলুৰৈ ধৰা পিছল বাট।
তই যে ডাঙৰ হ'লি—
কেনেকৈ বুজাওঁ তোক!
ডেউকা মেলি সপোন খেদা মন তোৰ
বাটে-পথে ভোকাতুৰ শ্বাপদবোৰৰ লেলিহান দৃষ্টি,

'হৰিণাৰ মঙহেই বৈৰী' কথাষাৰ মানিবি।

সন্ধিয়াৰ সময়কণ বৰ বেয়া অ' আইজনী,
পদুলিৰ মুখেদি বৈ যায় উতনুৱা সুহুৰি,
নৰ'বি চুলি মেলি, নিদিবি সঁহাৰি।
ফাগুনৰ পছোৱাজাকে সৰুৱায় জান,
সেউজী গছৰ সেউজী পাত!
সৰাপাতে সপোন ভাঙে,
আচহুৱা লগা মনটোক নেমেলিবি তাত।

উজাই অহা অচিনাকি বণিকক বান্ধিবলৈ নিদিবি নাও।
সযতনে ৰাখিবি তোৰ
পলাশে বোলোৱা আছুতীয়া কুমাৰী ঘাট!

# কেতিয়াবা আন্ধাৰত বহোঁ

**প্ৰাঞ্জল আবিৰ দাস**

কেতিয়াবা আন্ধাৰত বহোঁ
কেতিয়াবা বাটৰ কেঁকুৰিত গান এটা গুণগুণাই
সেউজীয়া-শীতল সোঁৱৰণিত হেৰাওঁ
নজনাকৈয়ে বহুদূৰ যাওঁ
আৰু উভতি আহোঁ।

কেতিয়াবা মাতবোৰত কেঁকনি
কেতিয়াবা হাঁহি আৰু কেতিয়াবা কান্দোন
শুনো...

চকুৰ চাৱনিৰে নেদেখা বহু কথা
ৰাতিবোৰে কৈ যায়
বুকুৰে উমান নোপোৱা বহু উশাহ
সময়ে লৈ যায়

কেতিয়াবা উশাহ সলাই জীৱনলৈ চাওঁ
গুচি যায় সময়ে তাকো সলাই!